# কুমাৰ ভাস্কৰ বাৰ্মা সংস্কৃত বিশ্ববিদ্যালয়ত অসমীয়া সাহিত্য বিষয়ক আলোচনা-চক্ৰ সম্পন্ন




**ষ্টাফ ৰিপ'ৰ্টাৰ, নলবাৰী, ১৮ জুন ঃ** কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু সাহিত্য অকাডেমীৰ সহযোগত ১৭ জুনত মহাকাব্য আৰু পুৰাকথা আশ্ৰিত আধুনিক সাহিত্য বিষয়ক এখন আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনা-চক্ৰৰ আৰম্ভণিতে বন্তিপ্ৰজ্বলন কৰা হয়। তাৰ পিছত বিশ্ববিদ্যালয়ৰ ছাত্ৰীসকলে সংস্কৃতত 'চিৰ চেনেহী' গীতটো পৰিৱেশন কৰে। মিত্ৰদেৱ মহন্তৰ দ্বাৰা ৰচিত 'চিৰ চেনেহী' গীতটোৰ সংস্কৃত অনুবাদ কৰিছে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক দীপক কুমাৰ শৰ্মাই। সভাত উদ্দেশ্য ব্যাখ্যা কৰে বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান অজিত ভৰালীয়ে। সভাত আদৰণী ভাষণ দিয়ে সাহিত্য অকাডমীৰ কাৰ্যবাহী বিষয়া মিহিৰ কুমাৰ চাহুৰে। ভাষণত তেওঁ সাহিত্য অকাডমীৰ কাম-কাজৰ খতিয়ান দাঙি ধৰাৰ লগতে এনেধৰণৰ গুৰুত্বপূৰ্ণ বিষয়ত আলোচনা-চক্ৰৰ আয়োজন কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ শলাগ লয়। সভাস্থলত উদ্বোধনী ভাষণ দিয়ে সমালোচক, সাহিত্যিক অধ্যাপক গোবিন্দ প্ৰসাদ শৰ্মাই। তেওঁ ভাষণত পুৰাকথা ইতিহাস আৰু মহাকাব্য আশ্ৰিত আখ্যান বিস্তাৰৰ প্ৰসংগ উল্লেখ কৰে। মহাকাব্য আশ্ৰি আখ্যানসমূহ আধুনিক সাহিত্যত কিদ ৰূপায়িত হৈছে সেই সম্বন্ধেও তেওঁ উদাহৰণস আলোকপাত কৰে। আলোচনা-চক্ৰত সভাধ্য হিচাপে ভাষণ দি উপাচাৰ্য অধ্যাপক দীপক কুমাৰ শৰ্মাই কয় যে ৰামায়ণ, মহাভাৰত আখ্যানসমূহক বিভিন্ন ধৰণে চোৱাৰ অৱকা আছে। উদ্বোধনী সভাত শলাগৰ শবাই আগবঢ়া বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক অংকুমণি দাসে। উদ্বোধনী সভা পিছত দুখন আলোচনা সত্ৰ অনুষ্ঠিত হয় আলোচনা সত্ৰসমূহ সঞ্চালনা কৰে সমালোচক, সাহিত্যিক অধ্যাপক গোবিন্দ প্ৰসাদ শৰ্মা আৰু শংকৰী সাহিত্যৰ গৱেষক পণ্ডিত, অধ্যাপক প্ৰদীপ জ্যোতি মহন্তই আলোচনা সত্ৰসমূহত ড° মালিনী, জ্যোতিৰ্ম প্ৰধানী, স্মৃতিৰেখা ভূঞা, অৰিন্দম বৰকটকী ৰবিজিতা গগৈ, প্ৰাঞ্জল শৰ্মা বশিষ্ঠ আৰু সুব্ৰ জ্যোতি নেওগে গৱেষণা-পত্ৰ পাঠ কৰে আলোচনা সত্ৰসমূহৰ অন্তত বিশ্ববিদ্যালয় অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক দীপশিখ গগৈয়ে শলাগৰ শবাই আগবঢ়ায়।